## দিনটোৰ বাণী

জীৱনটো এটা পিঁয়াজৰ দৰে। বখলিয়াই গৈ থাকিলে পিঁয়াজৰ অস্তিত্ব নথকাৰ দৰে জীৱনৰো বিচাৰ কৰিলে একেই অৱস্থা হ'ব।

— কাৰ্ল জেওবাৰ্গ


# অসম আদিত্য

যষ্ঠ বছৰ ■ সংখ্যা ৩০২ ■ ২১ কাতি, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ৭ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, November 7, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


হ'ল। এতিয়া শুদ্ধ চৰ্চা আৰু প্ৰয়োগেৰে অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ পথ নিশ্চয় মুকলি হ'ব। অসম গ্ৰন্থমেলাৰ বাকৰিত এই বিষয়ক লৈ আলোচনা সত্ৰ আয়োজন কৰাটো অতি গুৰুত্বপূৰ্ণ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা লেখক ড০ সুবাসনা মহন্ত, সহযোগী অধ্যাপক ড০ ভাস্কৰজ্যোতি শৰ্মা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষয়া, ভাষা বিষয়ক গৱেষক ড০ গুণদীপ চেতিয়াই আলোচনাখনত আলোচক অতিথিৰূপে অংশগ্ৰহণ কৰি তথ্য সমৃদ্ধ বক্তব্য প্ৰদান কৰে। আনহাতে, সাম্প্ৰতিক অসমীয়া উপন্যাসৰ বিষয়বস্তুৰ ভিন্নতা আৰু ভাষাৰ প্ৰয়োগ শীৰ্ষক দ্বিতীয়খন আলোচনা সত্ৰখন উদ্বোধন কৰে দুলীয়াজান সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হেমেন নেওগে। বিশিষ্ট লেখক-সমালোচক ড০ অজিৎ শইকীয়াই সঞ্চালনা কৰা আলোচনা সত্ৰখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ লক্ষীপ্ৰিয়া গগৈ, দুলীয়াজান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ চিত্ৰজিৎ শইকীয়া আৰু চেপন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপকড০ অসীম চুতীয়াই আলোচক অতিথিৰূপে অংশগ্ৰহণ কৰি বিষয় প্ৰসংগত তথ্য নিৰ্ভৰ সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। দুয়োখন আলোচনা সত্ৰৰে আঁত ধৰে লেখক-সাংবাদিক নৱজ্যোতি পাঠকে। ইয়াৰ পিছতে প্ৰবোধ দাসৰ পৰিচালনাত বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ মাজত অনুষ্ঠিত সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক, অসম নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক কৰুণজ্যোতি শইকীয়াই। উল্লেখ্য যে অসম গ্ৰন্থমেলা, দুলীয়াজানলৈ পুথিপ্ৰেমীৰ ইতিবাচক সঁহাৰি লাভ কৰা পৰিলক্ষিত হৈছে।

# কানৈত মাংগলিক পূজা-অৰ্চনাৰে বাগ্ দেৱীৰ প্ৰাণ প্ৰতিষ্ঠা



ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ নৱেম্বৰ ঃ ৮০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় প্ৰাংগণত নৱনিৰ্মিত সৰস্বতী মন্দিৰৰ আজি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— আধ্যাত্মিক চিন্তা-চেতনাই মানুহৰ মন শান্ত কৰে আৰু অনুকূল বাতাবৰণ বৰ্তাই ৰখাত সহায় কৰে। তেওঁ কয় যে মহাবিদ্যালয় চৌহদত সৰস্বতী মন্দিৰ এটি নিৰ্মাণৰ তেওঁৰ এটা সপোন আছিল আৰু বহুদিনীয়া সেই সপোন আজি ফলৱতী হ'ল। তেওঁ কয়— মহাবিদ্যালয়খনৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰী স্বৰ্ণালী মহন্ত আৰু সাধাৰণ সম্পাদক মৃগাংক শাণ্ডিল্যকে ধৰি অন্যান্য বিষয়ববীয়াসকলৰ তৎপৰতা, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত আৰু বৰ্তমানৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকাৰ আশাশুধীয়া প্ৰচেষ্টা আৰু সদিচ্ছাৰ ফলশ্ৰুতিত এই মন্দিৰটি নিৰ্মাণ হৈ উঠিল। মহাবিদ্যালয় চৌহদত আজিৰে পৰা এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিব আৰু এক ইতিহাস সৃষ্টি হ'ল বুলি তেওঁ উল্লেখ কৰি মন্দিৰটি নিৰ্মাণৰ লগত জড়িত প্ৰতিজন ব্যক্তিৰ শলাগ লোৱাৰ লগতে কৃতজ্ঞতা প্ৰকাশ কৰে। বিশিষ্ট ব্যৱসায়ী সঞ্জয় আগৰৱালাই মাৰ্বল-পাথৰৰ সৰস্বতী মূৰ্তিভাগ দান দিয়াত তেওঁৰ শলাগ লয়। পুৱাৰে পৰা মাংগলিক পূজা-অৰ্চনাৰে সৰস্বতী মূৰ্তিৰ প্ৰাণ প্ৰতিষ্ঠা কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে মন্দিৰটি নিৰ্মাণৰ আঁৰৰ বৰ্ণিল ইতিহাস ব্যক্ত কৰি কয়— দীৰ্ঘদিনৰ পৰা চৌহদত এটা সৰস্বতী মন্দিৰ নিৰ্মাণৰ কৰাৰ কথা আলোচনা চলি আছিল আৰু আজি হৈ উঠিল। মন্দিৰটো নিৰ্মাণৰ ক্ষেত্ৰত জড়িত থকা সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰে। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাস, অধ্যাপিকা বিনী শইকীয়া আৰু অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ দ্বাৰা পৰিৱেশিত সৰস্বতী বন্দনাৰ পিছতে দেৱীৰ প্ৰাণ প্ৰতিষ্ঠাৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। সংস্কৃত বিভাগৰ অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপক ড° বিৰাজ দত্ত, অধ্যাপিকা ড° ৰুবাব ফাটেমা ন'মানীয়ে মন্দিৰ নিৰ্মাণ হৈ উঠাত আনন্দিত হৈ মনৰ অনুভৱ প্ৰকাশ কৰে। সৰস্বতী মূৰ্তিৰ প্ৰাণ প্ৰতিষ্ঠাৰ এই মাংগলিক অনুষ্ঠানটিত ছাত্ৰ একতা সভাৰ প্ৰাক্তন সভাপতি স্বৰ্ণালী মহন্ত, সাধাৰণ সম্পাদক মৃগাংক শাণ্ডিল্য, বৰ্তমান ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী, সাধাৰণ সম্পাদক চিন্ময় কলিতাৰ লগতে সমূহ বিষয়ববীয়া, ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# তিনিদিনীয়াকৈ সুধাকণ্ঠৰ পুণ্যতিথি পালন 'মঞ্চৰূপা'ৰ

